জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩২৭/২০২১

লোকমন্থনৰ প্ৰস্তুতিমূলক সভাত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ মূল আধাৰ হৈছে জ্ঞানৰ অন্বেষণ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ অক্টোবৰ ঃ** 'ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ মূল আধাৰ হৈছে জ্ঞানৰ অন্বেষণ। সনাতন সভ্যতা আৰু সংস্কৃতিয়ে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। আমাৰ লোক সংস্কৃতিয়ে মাৰ্গ দৰ্শন প্ৰদান কৰি শক্তিশালীভাৱে জীয়াই থকাৰ বাবে অনুপ্ৰাণিত কৰি আহিছে। বিজ্ঞানসন্মত এই লোক সংস্কৃতিৰ ধাৰাটোৱে আজিও বিশ্ব মানৱক প্ৰভাৱিত কৰি আহিছে।' আগন্তুক বৰ্ষত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া 'লোকমন্থন'ৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে আজি শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এক সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় সভ্যতা আৰু সংস্কৃতি এক বোঁৱতী সুঁতি। বহু লোক সংস্কৃতিৰ আধাৰ হৈছে ভাৰতবৰ্ষ। এই লোক সংস্কৃতিৰ প্ৰৱাহৰ মাজেৰে একত্ৰিত ভাৰতবৰ্ষৰ শক্তিশালী দিশ উদ্ভাষিত হৈ আহিছে। ৰাজনৈতিক ভাৰতৰ্বষতকৈও সাংস্কৃতিক ভাৰতবৰ্ষই আমাক একত্ৰিতভাৱে আগুৱাই যোৱাৰ বাবে মানসিকভাৱে সন্তুলিত কৰি আহিছে আৰু সেইবাবেই আমাৰ সাংস্কৃতিক জীৱনশৈলীয়ে বিশ্ব মানৱক পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। সনাতন দৰ্শনৰ বাবে ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সনাতন দৰ্শন আৰু লোক সংস্কৃতিৰ সত্বাই আমাক উজ্জীৱিত কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পোন্ধৰশ শতিকাতে সনাতন দৰ্শনৰ গূঢ়াৰ্থ আৰু এক ভাৰতীয়ৰ সত্বাক আমাৰ মাজত প্ৰতিপন্ন কৰি থৈ গৈছে বুলিও তেওঁ কয়।

লোক সংস্কৃতিক আধাৰ হিচাপে গুৱাহাটীত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া লোকমন্থনে আমাৰ বৰ্ণাঢ্য সাংস্কৃতিক জীৱনধাৰাক আৰু অধিক শক্তিশালী কৰি তুলিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন ভাষা-ভাষী, জনগোষ্ঠীৰ মিলনভূমি। প্ৰতিটো জাতি-জনগোষ্ঠীৰে নিজস্ব লোকসংস্কৃতি আছে আৰু ইয়াৰ আধাৰতে আমাৰ সমন্বয়, সাংস্কৃতিক বান্ধোনে আমাক সামাজিক প্ৰাণী হিচাপে দৃঢ়তাৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। তেওঁ কয় যে গাঁও সমূহত লোক সংস্কৃতিয়ে সমাজ জীৱনক উজ্জীৱিত কৰি আহিছে। সংস্কৃতিয়ে আমাৰ সামাজিক জীৱনধাৰাৰ সোঁতটোক নিয়ন্ত্ৰিত কৰে। আমাৰ পৰম্পৰাগত বিশ্বাস আৰু লোক সংস্কৃতি বিজ্ঞান সন্মত ভেটিৰ ওপৰত নিৰ্মিত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ লোক সংস্কৃতিৰ ওপৰত বহুবাৰ আক্ৰমণ হোৱা স্বত্বেও পাঁচ হাজাৰ বছৰীয়া ভাৰতীয় সভ্যতা আৰু সংস্কৃতি আজিও বিশ্ব দৰবাৰত সমুজ্জ্বল ৰূপত উদ্ভাষিত হৈ আহিছে।

তেওঁ কয় যে ভাৰতীয় লোক সংস্কৃতিৰ জীৱনধাৰাই উদাৰতা আৰু সহনশীলতাৰ শিক্ষা প্ৰদান কৰি আহিছে। গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া লোকমন্থনৰ জৰিয়তে আমি নতুন জ্ঞান আহৰণ কৰিবলৈ সক্ষম হ'ম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই মন্থনৰ জৰিয়তে লোক সংস্কৃতিক সংৰক্ষণ আৰু বিকাশাই তোলাৰ বাবে যি পাৰিপাৰ্শ্বিকতা লাভ কৰা যাব তাৰ আধাৰত আমাৰ সাংস্কৃতিক জীৱনশৈলীক আৰু অধিক বিকাশাই তুলিব লাগিব বুলি কয়।

শিক্ষা বিভাগৰ উপদেষ্টা ড° ননী গোপাল মহন্তই আদৰণী ভাষণ দিয়া আজিৰ এই সভাত সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰা, প্ৰাজ্ঞন প্ৰভাৰ ৰাষ্ট্ৰীয় আহ্বায়ক নন্দ কুমাৰেও ভাষণ প্ৰদান কৰে। উল্লেখ্য যে ২০২২ চনৰ ১৮, ১৯ আৰু ২০ ফেব্ৰুৱাৰীত তিনিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত লোকমন্থন অনুষ্ঠিত হ'ব। এই লোকমন্থনত বৌদ্ধিক আৰু সাংস্কৃতিক দিশৰ বহু সংখ্যক গৱেষক পণ্ডিতে অংশগ্ৰহণ কৰিব। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে এটা ৱেবছাইটও মুকলি কৰে।

**পুঃডেঃ**
**১৯-১০-২০২১**